ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

। ২৭৬ সংখ্যা, ১ জেঠ, মঙলবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 276 । DIBRUGARH, TUESDAY, MAY 16, 2023 । পৃষ্ঠা ১২ (Pages 12

৭ 'গতি'ৰ সাধুকোৱা প্ৰতিযোগিতা সম্পন্ন

ৰাজকাপুৰৰ গীতেৰে বিদায় বিচাৰপতিৰ ১০

সুখচৰত জিঞ্জিৰাম নৈৰ বুকুত অবৈধ খনন ৯

১২ আঘাতৰ বাবে হিমা দাসৰ নাম প্ৰত্যাহাৰ

সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰে ইলোৰা বিজ্ঞান মঞ্চৰ তিনিচুকীয়া শাখাৰ সভাপতি ৰাণা চাংমায়ে।

## ...ত সমাজৰ ...ীৰ শুভাৰম্ভ

...বৰাৰ সভাপতিত্বত অনুষ্ঠিত আৰু সাংবাদিক ...ন্ত কুমাৰ বৰাই আঁত ধৰা মিলন সমাবোহত ...ীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক ভবেন পূজাৰী, ...যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মুহিবুদ্দিন ...হমেদ, যুব সমাজকৰ্মী বিক্ৰমজ্যোতি কটকী, ...াহাউলি গাঁও পঞ্চায়তৰ সভাপতি যমুনা দাস, ...াজকৰ্মী সুৰেণ দত্ত, ইন্দ্ৰজিৎ বৰা, ৰাজেন বৰা, ...ন্ত বৰা, জিতেন বৰা, উদ্‌যাপন সমিতিৰ ...পাদক বিজু বৰাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত ...ক। অনুষ্ঠানত অঞ্চলটোৰ কণ কণ মইনাসকলে ...-মাত আদি পৰিৱেশন কৰে। সামগ্ৰিকভাৱে ...ষ্ঠানটো পৰিচালনা কৰে নৱোদয় মিলিত সমাজৰ ...পাদক মাধুৰ্য বৰাই।

## ...লিক ৰঙালী ...ন সম্পন্ন

...ন হয়। প্ৰথম দলৰ পুৰস্কাৰ লাভ কৰে ধনিষ্ঠা ...ৰিকা, তৰালী বৰা আৰু পুৰ্বাশ্ৰী দাসে, দ্বিতীয় ...ংকৰ বৰা, ফিৰোজ দাস আৰু যদুমণি দাসে আৰু ...য় স্থান স্বপ্না দাস, ভাগ্যশ্ৰী দাস, বাবলী দাস, ...ৰ দাস আৰু পাৰ্থজিত বৰিয়ে লাভ কৰিবলৈ ...হয়। কটজৰ উচ্চ শাখাত ...

### ঐতিহাসিক সম্পদসমূহ সংৰক্ষণ কৰাৰ লক্ষ্য

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত গঠন হ'ল 'হেৰিটেজ ক্লাব'

নিজা বাতৰি দিওঁতা

টিংখাং, ১৫ মে' ঃ মহাৰজত জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ঐতিহাসিক ডি এইচ এছ কানৈ মহাবিদ্যালয়ত গঠন হ'ল 'হেৰিটেজ ক্লাব'। ডি এইচ এচ কানৈ মহাবিদ্যালয়ত গঠন হোৱা হেৰিটেজ ক্লাবে মহাবিদ্যালয়ৰ লগতে মহাবিদ্যালয়খনৰ আশে-পাশে থকা চহকী সাংস্কৃতিক ঐতিহ্যসমূহ প্ৰচাৰ আৰু সংৰক্ষণ কৰা, মহাবিদ্যালয়খনৰ স'তে জড়িত থকা ইতিহাস, পৰম্পৰা আৰু সাংস্কৃতিক দিশসমূহ নথিভুক্ত কৰাৰ লগতে সংৰক্ষণৰ ব্যৱস্থা কৰিব। এই ক্লাবে ঐতিহাসিক সম্পদসমূহক লৈ গৱেষণা, শিল্প কৰ্ম সংগ্ৰহ কৰা আৰু আৰ্কাইভ সৃষ্টি কৰা আদি কামত জড়িত হৈ ঐতিহাসিক সম্পদসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষিত আৰু সহজে উপলব্ধ হোৱাত সহায় কৰিব। ক্লাবৰ অন্যতম এক কাম হ'ব ঐতিহাসিক সম্পদসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে বিভিন্ন কৰ্মশালা, আলোচনা চক্ৰ, বক্তৃতা, প্ৰদৰ্শনীৰ ব্যৱস্থা কৰি সাংস্কৃতিক সম্পদসমূহৰ বিষয়ে প্ৰচাৰ কৰা। তদুপৰি, ক্লাবে মহাবিদ্যালয় চৌহদৰ ভিতৰত থকা ঐতিহাসিক ভৱন বা স্থানসমূহ পুনৰুদ্ধাৰ আৰু সংৰক্ষণৰ কামতো মনোনিৱেশ কৰিব। হেৰিটেজ ক্লাবৰ আৰু এক অন্যতম কাম হ'ব ঐতিহাসিক অখণ্ডতা বৰ্তাই ৰাখি সেইসমূহৰ পুনৰুদ্ধাৰৰ কামত সহায় কৰা। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে ১২ মে'ত মহাবিদ্যালয়খনৰ অধ্যক্ষৰ সভাকক্ষত অনুষ্ঠিত হেৰিটেজ ক্লাব গঠন সম্পৰ্কীয় সভাত উপস্থিত থাকে বি চি পি এলৰ মুখ্য পৰিচালক (সংগ্ৰহ) প্ৰাঞ্জল ফুকন, ডি এইচ এছ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, অৰ্থনীতি বিভাগৰ মুৰব্বী ড° পাৰ্থ গাংগুলী, ইংৰাজী বিভাগৰ অধ্যাপিকা ড° তৃষ্ণা দুৱৰা কলিতা। উল্লেখ্য যে বিশ্ববিদ্যালয় অনুদান আয়োগে দিয়া পৰামৰ্শৰ ভিত্তিত 'স্পিকমেক'ৰ সহযোগত কানৈ মহাবিদ্যালয়ত এই হেৰিটেজ ক্লাব গঠন কৰা হৈছে।



নেতাগৰাকীয়ে আৰু ... বিহু অসমীয়াৰ প্ৰাণ... স্বকীয়তা নষ্ট নোহে... ৰখাটো প্ৰতিগৰাকী ... দায়িত্ব।' উল্লেখ্য যে '... উপলক্ষে সিদিনা ... উত্তোলন কৰে উদ্‌যা... সভাপতি বিপিন চন্দ্ৰ ... তৰ্পণ কৰে গোপাল ... কোঁৱৰ আৰু মুক্তি গ... পিছতে অনুষ্ঠিত কৰ... ছাত্ৰীসকলৰ মাজত ... প্ৰতিযোগিতা। বিমা... উদ্বোধন কৰা ... প্ৰতিযোগিতাৰ 'ক' শা... শইকীয়াই প্ৰথম আৰু ... দ্বিতীয় স্থান লাভ কৰে ... অভিজ্ঞান দত্তই প্ৰথম ... গগৈয়ে দ্বিতীয় স্থান লা... শাখাত প্ৰিয়াংশু ফুকনে... প্ৰিয়ংকা থাপাই দ্বিতী... কৰে। কমল চিৰিঙে ... ঢোলবাদন প্ৰ... উদয়াদিত্য লাচিতে ... প্ৰাচুৰ্য কুমুদ দিহিঙ্গীয়াই ... লাভ কৰে। ইপিনে, ... প্ৰতিযোগিতাত অদি... গগৈয়ে প্ৰথম আৰু স্বচ... দ্বিতীয় স্থান লাভ ক... আমন্ত্ৰিত হুঁচৰি দলে হুঁচ... কৰে। সাংস্কৃতিক সদি... লোকশিল্পী দ্বিজেন ... নেতা বসন্ত গগৈসহ ... গণ্য-মান্য ব্যক্তি উপস্থি...